# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে শুনা কথাবোৰ নিজে লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে দ্ৰুত লিখনৰ কৌশল আয়ত্ত কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে কোনো কাহিনী, শুনা কথা নিজে লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) মহিয়সী হেলেন কেলাৰ | - পাঠ নং ১০ |
| খ) সঞ্চয় | - পাঠ নং ১১ |
| গ) মনোৰম মাজুলী | - পাঠ নং ১২ |

**পাতনি ঃ**

শিক্ষাৰ অধিকাৰ আইন - ২০০৯ অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। ছাত্ৰ-ছাত্ৰীৰ গুণোৎসৱৰ মূল্যায়নৰ ভিত্তিত দেখা গৈছে যে—ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ ক্ষেত্ৰত দুৰ্বলতা আছে।

বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে দীঘল শব্দ, যুক্তাক্ষৰযুক্ত শব্দৰ লগতে যতি বিৰাম চিহ্নৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰা নাই। ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বৰ শ্ৰেণীতে বানান লিখা, যুক্তাক্ষৰ লিখা শিকে যদিও সিহঁতক পুনঃস্মৰণ কৰি দিবলৈহে এই শ্ৰেণীত পাঠৰ আধাৰত বানান লিখা, যতি বিৰাম চিহ্নৰ প্ৰয়োগ, যুক্তাক্ষৰৰ জ্ঞান দিবলৈ প্ৰয়াস কৰা হ'ল। লিখোঁতে ছাত্ৰ-ছাত্ৰীৰ বানান ভুল হোৱা দেখা যায়, উদাহৰণ স্বৰূপে— 'স', 'ষ', 'শ', 'ৰ', 'ড়', 'ঢ়' 'ব', 'ৱ' দন্ত্য আৰু মূৰ্ধণ্য বৰ্ণ উল্লেখ থকা বানানবোৰৰ কথা উল্লেখ কৰিব পাৰি। বানান ভুলৰ লগে লগে শব্দৰ অৰ্থও কিছু ক্ষেত্ৰত সলনি হয়। লিখন কৌশলৰ বিকাশৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ লগতে পাঠ্যপুথি বহিৰ্ভূত পাঠবোৰৰ পঠন অভিজ্ঞতা, চিন্তা আদি লিখনৰ মাজেদি প্ৰকাশ কৰিব পাৰিব। লিখন কৌশলৰ বিকাশৰ লগত ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ হয়। সেয়েহে লিখন কৌশলৰ বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি নতুন ক্ৰিয়া-কলাপ এই সমল সামগ্ৰীত সন্নিৱিষ্ট কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফল সমূহৰ গুৰুত্ব অপৰিসীম —**

⇨ শুনা বা পঢ়া কথাবোৰ বোধগম্য হোৱাৰ পিছত নিজস্ব প্ৰকাশভংগীৰে লিখি সুন্দৰ আৰু সাৱলীলভাৱে প্ৰকাশ কৰাৰ দক্ষতা আহৰণ কৰিব।

⇨ লিখন কৌশলৰ মান উন্নত কৰিব পাৰিব।

⇨ সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব।

⇨ লিখনৰ দ্ৰুততা বঢ়াব পাৰিব।

⇨ চিঠি, আৱেদন, জাননী লিখাৰ দক্ষতা বৃদ্ধি পাব।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ এই সমলটো অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বিকাশৰ বাবে নতুন নতুন উদ্ভাৱনীমূলক ক্ৰিয়া অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ সকলো ছাত্ৰ-ছাত্ৰীৰে ক্ৰিয়া-কলাপত সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব পাৰিম।

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত (লিখনত) অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ উক্ত সমলৰ আধাৰত আমি ছাত্ৰ-ছাত্ৰীক বানান নিৰ্ভুলকৈ লিখিব পৰা কৰি তুলিবলৈ উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰিম।

⇨ লিখনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিম।

⇨ অভ্যাস আৰু অনুশীলনৰ জৰিয়তে শুদ্ধকৈ লিখিব পাৰিম।

⇨ ক্ৰিয়া-কলাপ অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ লগতে আমি শিক্ষকসকলে আত্মমূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনী চিন্তাৰে আৰু ক্ৰিয়া অনুশীলনৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল—**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১)যতি বিৰাম চিহ্নৰ প্ৰয়োগ কৰি বাক্য শুনি লিখিব পৰা | যতি বিৰাম চিহ্ন থকা বাক্য বা পৰিচ্ছেদৰ তালিকা | দলগত ক্ৰিয়া-কলাপ | ১) তলৰ বাক্য কেইটাত উপযুক্ত যতি চিহ্ন ব্যৱহাৰ কৰি লিখা —<br>বাহ কি ধুনীয়া ছোৱা।<br>তুমি যে নাহিলা কিয়<br>হেলেন কেলাৰে চুলিভানৰ কাহিনী মোৰ জীৱন কাহিনী মোৰ ধৰ্ম মধ্য সোঁত আদি কেইবাখনো গ্ৰন্থ ৰচনা কৰিলে | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২)যুক্তাক্ষৰবোৰ শুদ্ধকৈ লিখিব পৰা | যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা, বৰ্ণৰ কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | ২) বৰ্ণৰ কাৰ্ডবোৰ সংলগ্ন কৰি যুক্তাক্ষৰ গঠন কৰা।<br>ব+ৰ, ৰ+ব, ন+ত+ৰ, ঞ+চ, স+ব<br>৩) তলৰ শব্দবোৰ পঢ়ি লিখা।<br>সঞ্চয়, কুন্ধি, পুন্যতোয়া, স্পৰ্শানুভূতি, মহীয়সী, ঝুমুৰা। | |
| ৩)বানান লিখিব পৰা | নিৰ্দিষ্ট শব্দৰ তালিকা, বাক্যৰ পৰিচ্ছেদ | দলগত ক্ৰিয়া-কলাপ | ৪) শ্ৰুতলিপি —<br>মেনিন্‌জাইটিছ, বাক্‌শক্তি, পৰিৱেশ, শান্তিয়নী, প্ৰলয়ঙ্কৰী, সঞ্চয়, কুন্ধি, স্পৰ্শানুভূতি, মহীয়সী, ঝুমুৰা, পুণ্যতোয়া।<br>(মনোৰম মাজুলী, সঞ্চয়, মহীয়সী হেলেন কেলাৰ পাঠৰ) | |
| ৪) কোনো কাহিনী শুনি নিজাকৈ লিখিব পৰা | নিৰ্দিষ্ট শব্দৰ তালিকা, বাক্যৰ পৰিচ্ছেদ | দলগত ক্ৰিয়া-কলাপ | ৫) (ক) তলৰ চিত্ৰখন চাই সাধুকথা লিখা (শিয়ালে আঙুৰ খোৱা সাধুটোৰ চিত্ৰ)<br>(খ) জ্ঞানৰ সঞ্চয়ে পোহৰ বিলায়<br>মনৰ নেদেখা কুন্ধিবোৰত।।<br>— এই কবিতাৰ স্তৱকটোৰ কথাখিনি নিজৰ ভাষাত লিখা (সঞ্চয় পাঠ)<br>৬) তুমি ভালপোৱা ফলবোৰৰ নাম উল্লেখ কৰি এটি কবিতা লিখা।<br>৭) তোমালোকৰ বিদ্যালয়ৰ গৰমবন্ধৰ দিনকেইটাত বিদ্যালয়লৈ আহি কি কি কৰিলা একাদিক্ৰমে লিখা।<br>৮) মানুহ, ভাইটি, পৃথিৱী, ওচৰ-চুবুৰীয়া, ঘৰ, মা-দেউতা, আইতা-ককা, নামঘৰ, বিদ্যালয়, আমাৰ গছ-গছনি<br>৯) এই শব্দকেইটাৰ ব্যৱহাৰ কৰি এটি কাহিনী লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন (Case Study) ঃ**

ৰীণা বাইদেউ বৰপেটা অঞ্চলৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেওঁ ষষ্ঠ শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠদান কৰিবলৈ গৈ দেখিলে যে আগৰ কেইমাহতকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ লিখন কৌশলৰ দক্ষতা বৃদ্ধি পাইছে যদিও কিছু ক্ষেত্ৰত, বিশেষকৈ যতি বিৰাম চিহ্নৰ উপযুক্ত ব্যৱহাৰ, যুক্তাক্ষৰযুক্ত শব্দ লিখন, দীঘলীয়া বাক্য শুদ্ধকৈ লিখা, নিজাকৈ কাহিনী শুনি বৰ্ণনা কৰা আদিত সামান্য দুৰ্বলতা ৰৈ গৈছে। এই দুৰ্বলতাবোৰ আঁতৰ কৰিবৰ বাবে তেওঁ এটি পৰিকল্পনা প্ৰস্তুত কৰি ল'লে। তেওঁ এইক্ষেত্ৰত পাঠ্যপুথিৰ পৰা বিশেষকৈ শিকন ফলাফল সমূহৰ উপাদান থকা পাঠ নং ১২ ৰ (মনোৰম মাজুলী) ৯৬ নং পৃষ্ঠাত থকা 'সত্ৰখন পৰিভ্ৰমণ কৰাৰ পাছত হিমশিখৰ বৰুৱা ছাৰক সুধিলে' ছাৰ, মাজুলীত মুঠতে কিমানখন সত্ৰ আছে? হিমশিখৰৰ প্ৰশ্নৰ উত্তৰত ছাৰে অলপ দুখেৰে ক'বলৈ ধৰিলে—"বৰ্তমান মাজুলীত সৰু বৰ বাইশখন সত্ৰ আছে। আগতে অৱশ্যে পঁয়ষষ্ঠিখন সত্ৰ আছিল। সত্ৰৰ সংখ্যা কমি গৈছে যদিও মাজুলীক এতিয়াও 'সত্ৰ নগৰী' বোলা হয়। সংগীত স্বৰগমে ছাৰৰ কথা গভীৰ মনোযোগেৰে শুনি আছিল। সি টপৰাই সুধিলে —"ছাৰ, পঁয়ষষ্ঠিখনৰ ভিতৰত মাত্ৰ বাইশখনহে আছেগৈ; বাকীকেইখন কি হ'ল?" ছাৰে ক'লে— কি ক'বা! ইয়াত মানুহৰ সপোনে পোখা মেলে, কিন্তু বানপানী আৰু গৰাখহনীয়াই সেই পোখা মোহাৰি পেলায়। মাজুলীৰ বহু মাটি ব্ৰহ্মপুত্ৰই খহাই নিছে, খহনীয়াত সত্ৰও নিশ্চিন্ন হৈ গৈছে। তেনেকৈয়ে সত্ৰৰ সংখ্যা কমিছে।"

এই শাৰীকেইটা নিৰ্বাচন কৰি ল'লে।

**প্ৰস্তুতি ঃ**

⇨ ৰীণা বাইদেউৱে উক্ত দফাটোৰ অন্তৰ্গত যুক্তাক্ষৰযুক্ত শব্দবোৰৰ তালিকা কৰি বোৰ্ডত সকলোৰে দৃষ্টিগোচৰ হোৱাকৈ লিখি ল'লে।

⇨ নতুন শব্দবোৰৰ অৰ্থসহ এখন তালিকা প্ৰস্তুত কৰি ল'লে।

তেওঁ পোনতে পাঠটোৰ উক্ত দফাটো নীৰৱ পঠন কৰিবলৈ দিলে। তাৰপাছত যতি বিৰাম চিহ্নৰ ব্যৱহাৰ কৰি পঢ়ি শুনালে। তেওঁ উক্ত দফাটো শ্ৰুতলিপি আকাৰে পঢ়ি গ'ল আৰু ছাত্ৰ-ছাত্ৰীক লিখিবলৈ উৎসাহিত কৰিলে।

লিখা হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ মাজতেই বহীবোৰ সাল-সলনি কৰি কিতাপৰ দফাটোৰ লগত মিলাই চাবলৈ দিলে আৰু ভুল হোৱাবোৰ চিনাক্তকৰণ কৰিবলৈ দিলে। ভুল হোৱা শব্দবোৰ, যতি চিহ্নৰ স্থান আদিবোৰ পিছত আলোচনা কৰিলে। তাৰ পাছত তেওঁলোকক দলত ভাগ কৰি যুক্তাক্ষৰবোৰ ভঙা-পতা কৰিবলৈ দি প্ৰতিটো যুক্তাক্ষৰযুক্ত শব্দ লিখিবলৈ দিলে।

তেওঁ ছাত্ৰ-ছাত্ৰীয়ে পাঠটোৰ অন্তৰ্গত যিবোৰ বানান ভুল কৰিছিল, সেইবোৰ শুদ্ধকৈ বোৰ্ডত লিখি দিলে। যি সকলে বানান ভুল কৰিছিল, তেওঁলোকক ভুল কৰা প্ৰতিটো বানান ১০ বাৰকৈ লিখিবলৈ দিলে আৰু তেওঁলোকক বানানৰ শুদ্ধৰূপবোৰ উচ্চাৰণ কৰি বুজাই দিলে।

শ্ৰেণীকোঠাত বিশেষভাৱে সক্ষম দুজন ছাত্ৰ আছিল। সিহঁতে ভালদৰে নুশুনে; সেই বাবে ভালদৰে লিখিব নোৱাৰে। তেওঁ সিহঁতক শব্দবোৰ, যতি চিহ্নবোৰ বোৰ্ডত লিখি দেখুৱালে। তেওঁলোকক বানানবোৰ চাই চাই লিখিবলৈ দিলে। শ্ৰেণীকোঠাত তৃতীয় সাময়িকীৰ বাবে প্ৰয়োজনীয় 'মহীয়সী হেলেন কেলাৰ' পাঠনং ১০ৰ দফাবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভগাই দি লিখিবলৈ দিলে। নিজৰ ভাগত পৰা দফাৰ অন্তৰ্গত যতি, বিৰাম চিহ্ন, যুক্তাক্ষৰযুক্ত শব্দ, কঠিন বানানবোৰ সিহঁতক বিচাৰি উলিয়াবলৈ দি পুনৰ লিখিবলৈ দিলে।

শিক্ষকে, ছাত্ৰ-ছাত্ৰীসকলক যতি বিৰাম চিহ্নবোৰৰ নামবোৰ লিখি কোনটো চিহ্নই কি বুজায় সেয়া তালিকা আকাৰে শ্ৰেণীকোঠাত চকুত পৰাকৈ আৰি থ'লে।

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক আন দুটা পাঠ 'সঞ্চয়' (পাঠ নং ১১) আৰু 'মনোৰম মাজুলী' (পাঠ নং ১২) ৰ পৰাও যতি বিৰাম চিহ্ন, যুক্তাক্ষৰযুক্ত শব্দ, দীঘলীয়া শব্দবোৰ বিচাৰি উলিয়াই সিহঁতক লিখিবলৈ দিব পাৰিব।

*বিঃদ্র - শ্রেণীকোঠাত বিশেষভাৱে সক্ষম ছাত্র-ছাত্রীক বাইদেৱে বিশেষভাৱে গুৰুত্ব দিছিল*

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ ৰীণা বাইদেউই কিয় প্রতিবাৰে ছাত্র-ছাত্রীসকলক লিখাত উৎসাহ যোগাইছিল?

⇨ তেওঁ সকলো ধৰণৰ ছাত্র-ছাত্রীক সমানে জড়িত কৰিবলৈ কি ব্যৱস্থা গ্রহণ কৰিছিল?

⇨ ৰীণা বাইদেউৱে কৰা ক্রিয়া-কলাপৰ দৰে আমিও শ্রেণীকোঠাত উদ্ভাৱনীমূলক নতুন ক্রিয়া-কলাপ কৰিব নোৱাৰো নে?

ওপৰত বৰ্ণনা কৰা ৰীণা বৰদলৈৰ ক্রিয়া-কলাপটোৰ আলমত তলত দিয়া ধৰণে আমিও শ্রেণীকোঠাত ক্রিয়া-কলাপ কৰি চাওঁ আহক——

**ক্রিয়া-কলাপ ঃ**

**প্রস্তুতি ঃ**

এই ক্রিয়া-কলাপটো শ্রেণীকোঠাত কৰোঁৱাৰ আগতে তলৰ শিকন-শিক্ষণ সামগ্রীসমূহ প্রস্তুত আৰু সংগ্রহ কৰি ল'ব লাগিব।

⇨ বাতৰি-কাকতৰ সৰু দফা (যুক্তাক্ষৰযুক্ত শব্দ থকা)

⇨ সাধুকথাৰ সৰু দফা

শিক্ষক-শিক্ষয়িত্রীয়ে শ্রেণীকোঠাত ছাত্র-ছাত্রীসকলক বাতৰি-কাকতৰ দফা বা সাধুকথাৰ সৰু দফা শ্রুতলিপি হিচাপে দিব। শিক্ষকে শ্রুতলিপি দিওঁতে ছাত্র-ছাত্রীক যতি, বিৰাম চিহ্নৰ উপযুক্ত প্রয়োগ কৰি লিখিবলৈ দিব। নিৰ্দিষ্ট সময়ৰ ভিতৰত লিখা হ'লে ছাত্র-ছাত্রীয়ে ইজনে-সিজনৰ বহী নিৰীক্ষণ কৰিব। পুনৰ শিক্ষকে ছাত্র-ছাত্রীৰ বহী নিৰীক্ষণ কৰি ভুল হ'লে শুধৰাই দিব আৰু যদি ভাল হয়, তেনেহ'লে ছাত্র-ছাত্রীক উৎসাহিত কৰিব।

আমি ইয়াৰ বাহিৰেও কোনো ছবিৰ আধাৰতো ছাত্র-ছাত্রীক সাধুকথা/কাহিনী লিখিবলৈ দিব পাৰোঁ।

**দৃঢ়ীকৰণ ঃ**

ছাত্র-ছাত্রীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্রশ্নবোৰ কৰিব পাৰি —

ক) তলত দিয়া শব্দবোৰ শুনি শুদ্ধকৈ লিখা—

মেনিন্‌জাইটিছ, দুঃসাহসী, বাক্‌শক্তি, পুথিভঁৰাল। (মহীয়সী হেলেন কেলাৰ, মনোৰম মাজুলী পাঠৰ)।

খ) তলৰ যুক্তাক্ষৰবোৰ ভাঙা—

শ্ব, ক্ক, জ্ঞ, ঞ্চ, ঞ্চ, ন্ধ, ৰ্ম্ম।

**ছাত্র-ছাত্রীৰ বাবে অনুশীলন ঃ**

ক) তলৰ বাক্যকেইটাত উপযুক্ত যতি চিহ্নৰ ব্যৱহাৰ কৰি লিখা।

⇨ বাহ কি ধুনীয়া চোৰা

⇨ তুমি যে নাহিলা কিয়

⇨ হেলেন কেলাৰে চুলিভানৰ কাহিনী মোৰ জীৱন কাহিনী মোৰ ধৰ্ম মধ্য সোঁত আদি কেইবাখনো গ্রন্থ ৰচনা কৰিলে

খ) তোমালোকৰ বিদ্যালয়ৰ গৰমবন্ধৰ দিনটোত বিদ্যালয়লৈ আহি কি কি কৰিলা একাদিক্রমে লিখা।

গ) তুমি ভালপোৱা ফলবোৰৰ নাম উল্লেখ কৰি এটি কবিতা লিখা।

ঘ) মানুহ, ভাইটি, পৃথিৱী, ওচৰ-চুবুৰীয়া, ঘৰ, মা-দেউতা, আইতা-ককা, নামঘৰ, বিদ্যালয়, গছ-গছনি এই শব্দকেইটাৰ ব্যৱহাৰ কৰি এটি কাহিনী লিখা।

ঙ) 'জ্ঞানৰ সঞ্চয়ে পোহৰ বিলাই,
মনৰ নেদেখা কুন্ধিবোৰত'।।

—এই কবিতাংশ ব্যাখ্যা কৰা (সঞ্চয় পাঠৰ)

চ) তলৰ ছবিখন চাই এটি সাধুকথা লিখা।



(শিয়ালে আঙুৰখোৰা সাধুকথাৰ চিত্ৰ)

ছ) তলত দিয়া বৰ্ণৰ কাৰ্ডবোৰ লগ-লগাই যুক্তাক্ষৰ গঠন কৰি মিলোৱা।

- ⇨ ব + ৰ = ☐
- ⇨ ৰ + ব = ☐
- ⇨ ন + ত + ৰ = ☐
- ⇨ ঞ + চ = ☐
- ⇨ স + ৰ = ☐

**প্ৰসংগ টোকা ঃ**

⇨ পাঠ্যপুথি - (অংকুৰণ- ষষ্ঠ ভাগ)

***